# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-07-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - - -

১। ২ অক্টোবৰত উপ জিলাৰ কাম-কাজসমূহ আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব বুলি জিলা আয়ুক্তৰ সন্মিলনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰিত দোষী সাব্যস্ত ৰাকেশ পালক বিশেষ ন্যায়াধীশৰ আদালতৰ ১৪ বছৰৰ কাৰাদণ্ড। দোষী সাব্যস্ত আন ৩১ গৰাকীৰো শাস্তিৰ পৰিমাণ ঘোষণা।

৩। অসমৰ নৱ নিযুক্ত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ কাইলৈ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ।

৪। আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস। কাজিৰঙা আৰু মানস ৰাষ্ট্ৰীয় উদ্যান বাঘ সংৰক্ষণ সন্দৰ্ভত সজাগতামূলক কাৰ্যসূচী।

৫। পেৰিছ অলিম্পিকত দেশৰ হৈ প্ৰথমটো পদক লাভ কৰা ভাৰতীয় শ্বুটাৰ মনু ভাকেৰক আজি সদনৰ হৈ লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ অভিনন্দন।

**আৰু**

৬। পুৰুষ আৰু মহিলা উভয় শাখাৰ ১০ মিটাৰ এয়াৰ ৰাইফলত চূড়ান্ত পৰ্যায়ত উপনীত হৈও পদক জয়ত ব্যৰ্থ ভাৰতীয় শ্বুটাৰ ৰমিতা জিন্দাল আৰু অৰ্জুন বাবুটা। পুৰুষৰ হকীৰ গ্ৰুপ পৰ্যায়ত ভাৰত আৰ্জেণ্টিনাৰ খেল ১-১ গ'লেৰে ড্ৰ'।

ooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গুৱাহাটীৰ লোকসেৱা ভৱনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে জিলা আয়ুক্ত সন্মিলন চলি আছে। এই সন্মিলনতে মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই ২ অক্টোবৰত উপ জিলাৰ কাম-কাজসমূহ আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব বুলি প্ৰকাশ কৰিছে। সেই অনুসৰি কামৰূপ জিলাত দুখন উপ জিলা হ'ব। প্ৰথমে অস্থায়ী কাৰ্যালয়ৰ পৰাই উপ জিলাৰ কাম-কাজসমূহ চলিব। একে সময়তে স্থায়ী কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্যও চলি থাকিব। আনহাতে উপ জিলা কাৰ্যালয়ৰ বাবে লোকনিৰ্মাণ বিভাগে প্ৰস্তুত কৰা নক্সা সংশিষ্ট জিলা উপায়ুক্তসকলক কাইলৈ সন্মিলনতে দেখুৱাব বুলি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই প্ৰকাশ কৰে। আনহাতে উপ জিলাৰ মহকুমাধিপতি সকলক ২ অক্টোবৰৰ পূৰ্বে প্ৰশিক্ষণ দিয়া হ'ব বুলি প্ৰকাশ কৰাৰ লগতে ১৫ আগষ্টৰ পূৰ্বে প্ৰয়োজনীয় সকলো আচবাববোৰ অস্থায়ী কাৰ্যালয়লৈ নিয়াৰো নিৰ্দেশ দিয়ে।

আয়ুক্ত সন্মিলনতে মুখ্যমন্ত্ৰীগৰাকীয়ে কেইখনমান জিলাৰ কাম-কাজক লৈ অসন্তুষ্টি প্ৰকাশ কৰি সংশ্লিষ্ট আয়ুক্তসকলক জিলা ভিত্তিক বৈষম্য দূৰ কৰিবলৈ নিৰ্দেশ দিয়ে। আয়ুক্তসকলক সপ্তাহত এদিন ক্ষেত্ৰ পৰ্যবেক্ষণ আৰু জিলাখনৰ বিশিষ্ট ব্যক্তিসকলৰ ঘৰলৈ যাবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। আনহাতে অতিৰিক্ত জিলা আয়ুক্তক সপ্তাহত দুদিন কাম-কাজ চোৱাচিতা কৰাৰ তেওঁ নিৰ্দেশ দিয়ে। একে সময়তে দৈনিক এক-

তৃতীয়াংশ চৰকাৰী বিষয়াক জনসাধাৰণৰ মাজলৈ গৈ সমস্যাৰ বুজ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰত্যেক ১৫ দিনৰ অন্তৰত অভিভাৱক মন্ত্ৰীৰ সৈতে আয়ুক্তক ভিডিঅ' কনফাৰেন্সযোগে কাম-কাজ সন্দৰ্ভত আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক আহ্বান জনায়। প্ৰয়োজনত অভিভাৱক মন্ত্ৰীক জিলা ভ্ৰমণৰ বাবে আয়ুক্তই দাবী কৰিব পাৰিব বুলিও এই সন্মিলনতে মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। একে সময়তে মুখ্যমন্ত্ৰীয়ে কয় যে, ছেপ্তেম্বৰৰ ভিতৰত প্ৰতিখন জিলাত নতুন আঁচনি ৰূপায়ণ কৰিব লাগিব আৰু ৰূপায়িত নোহোৱা পুৰণা কামসমূহ সমাধানৰ চেষ্টা কৰা হ'ব।

৩১ ডিচেম্বৰৰ পূৰ্বে নতুন পঞ্চায়তে দায়িত্ব ল'ব পৰাকৈ প্ৰয়োজনীয় সকলো কাম-কাজ কৰিবলৈ জিলা আয়ুক্তসকলক মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। একেটা প্ৰসংগতে মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলক কয় যে, পঞ্চায়তত তিনিটাতকৈ অধিক উন্নয়ন খণ্ড হ'ব নোৱাৰিব।

জিলা আয়ুক্তৰ সন্মিলনখনতে মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই চৰকাৰী কাৰ্যসূচীত কেৱল নিৰামিষ খাদ্য ব্যৱহাৰৰ নিৰ্দেশ দিছে। ৰাজ্যিক অতিথিৰ বাহিৰে কোনো চৰকাৰী বিভাগে আমিষ আহাৰেৰে অপ্যায়ন কৰাটো বাধা আৰোপ কৰিছে। এই সন্মিলনতে আগষ্টত লখিমপুৰত কেবিনেট বৈঠক হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই প্ৰসংগতে এতিয়াৰে পৰা গুৱাহাটীৰ বাহিৰত কেবিনেট হোৱাৰ দিনা মন্ত্ৰীসকল একেটা সময়তে নাযাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে, মন্ত্ৰীসকল নিৰ্দিষ্ট সময়ৰ অন্তৰত গ'লে যান-বাহনৰ লগতে অন্য অসুবিধা নহয়। আনহাতে বেৰিকেড সাজি প্ৰতিবাদ ৰোধ বিচাৰিলে সকলো সমস্যাৰ সমাধান নহয় বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়া বেৰিকেড ৰখাৰ প্ৰয়োজন নাই। ৰাজ্যত ভি ভি আই পি সংস্কৃতি আঁতৰোৱাৰ পোষকতা কৰি মুখ্যমন্ত্ৰীৰ কনভয়তো ১০খনতকৈ অধিক গাড়ী থাকিব নোৱাৰিব বুলি তেওঁ প্ৰকাশ কৰে।

এই সন্মিলনতে শেহতীয়া বানত ক্ষতিগ্ৰস্তসকলক ১২ আগষ্টত সাহায্য প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ক্ষতিগ্ৰস্তক গৃহ নিৰ্মাণৰ বাবে ১ লাখ ২০ হাজাৰ টকা দিয়া হ'ব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, সাহায্য প্ৰদানৰ ৭ দিন পূৰ্বে মঞ্জুৰি পত্ৰ বিতৰণ কৰা হ'ব।

ooooo

অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰিৰ গোচৰত আজি বিশেষ ন্যায়াধীশৰ আদালতে আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালসহ ৩২ জনৰ বিৰুদ্ধে শাস্তিৰ ৰায় ঘোষণা কৰে। সেই অনুসৰি আদালতে ৰাকেশ কুমাৰ পালক দুৰ্নীতি প্ৰতিৰোধ আইন আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ৪টাকৈ গুৰুত্বপূৰ্ণ ধাৰাত দোষী সাব্যস্ত কৰি ১৪ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২ লাখ টকাৰ জৰিমনা বিহিছে। একেদৰে আয়োগৰ প্ৰাক্তন সদস্য চামেদুৰ ৰহমান আৰু বসন্ত কুমাৰ দলেক ১০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২ লাখ টকাকৈ জৰিমনা বিহিছে। আনহাতে বক্ৰপথেৰে চাকৰি লোৱাৰ অভিযোগত দোষী সাব্যস্ত হোৱা ২৯ জন কৃষি উন্নয়ন বিষয়াক ৪ বছৰকৈ কাৰাদণ্ড আৰু ১০ হাজাৰ টকাকৈ জৰিমনা বিহিছে। উল্লেখযোগ্য যে কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰিৰ গোচৰত বিশেষ ন্যায়াধীশৰ আদালতে যোৱা ২২ জুলাইত ৰাকেশ কুমাৰ পালসহ ৩২ জনক দোষী সাব্যস্ত কৰিছিল।

ooooo

অসমৰ নৱ নিযুক্ত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই কাইলৈ ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰিব। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে নৱনিযুক্ত ৰাজ্যপালগৰাকীক শপতবাক্য পাঠ কৰোৱাব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কাইলৈ দুপৰীয়া এই শপতগ্ৰহণ হ'ব। কাইলৈ শপতগ্ৰহণ কৰিবলগীয়া

লক্ষ্মণপ্ৰসাদ আচাৰ্যক অসমৰ লগতে মণিপুৰৰ ৰাজ্যপাল হিচাপেও অতিৰিক্ত দায়িত্ব দিয়া হৈছে। লক্ষ্মণপ্ৰসাদ আচাৰ্যই ছিকিমৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। আনহাতে ৰাজ্যৰ বৰ্তমানৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াক পঞ্জাৱৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ লগতে কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰ প্ৰশাসক হিচাপে নিযুক্তি দিয়া হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিভিন্ন ৰাজ্যৰ নতুন ৰাজ্যপালসকলক নিযুক্তি দিছে। এই নিৰ্দেশ অনুসৰি অসমৰ প্ৰাক্তন লোকসভা সাংসদ ৰমেন ডেকাক ছত্তিশগড়ৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰ লগতে অসমসহ ৯ খন ৰাজ্যৰ ৰাজ্যপাল নতুনকৈ নিযুক্তি তথা সালসলনি ঘটোৱা হৈছে।

০০০০০

পাঞ্জাবৰ ৰাজ্যপাল হিচাপে নিযুক্তি লাভ কৰা ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়াই আজি ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যৰ তিনিগৰাকী নৱনিযুক্ত উপাচাৰ্যক শপতগ্ৰহণ কৰোৱাই। অধ্যাপক ড০ ননীগোপাল মহন্তক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰূপে, ধনপতি ডেকাক ভট্টদেৱ বিশ্ববিদ্যালয়ৰ আৰু মানবেন্দ্ৰ দত্ত চৌধুৰীক ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য হিচাপে আজি শপতগ্ৰহণ কৰোৱা হয়। এই অনুষ্ঠানত উপস্থিত থাকি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে তিনিওগৰাকী উপাচাৰ্যক অভিনন্দন জ্ঞাপন কৰাৰ লগতে পৰৱৰ্তী কাৰ্যকালৰ সফলতা কামনা কৰে। উল্লেখযোগ্য যে ২০ আগষ্টত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্যৰ কাৰ্যকাল অন্ত পৰাৰ পাছতে ড০ ননীগোপাল মহন্তই কাৰ্যভাৰ গ্ৰহণ কৰিব। ড০ মহন্তই ২০২১ চনৰ পৰা চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈ ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইপিনে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে শপত লোৱা ধনপতি ডেকাই তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰধান অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্বদ্যালয়ৰ উপাচাৰ্য হিচাপে শপতগ্ৰহণ কৰা মানবেন্দ্ৰ দত্ত চৌধুৰী অসম বিশ্ববিদ্যালয় গুৰু অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল।

০০০০০

দেশত স্বীকৃতি প্ৰাপ্ত ষ্টাৰ্টআপ উদ্যমসমূহে এই পৰ্যন্ত ১৫ লাখ ৫০ হাজাৰৰো অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰিছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহৰ অধীনত গ্ৰহণ কৰা পদক্ষেপৰ সহায়ত ষ্টাৰ্টআপসমূহে অনাগত সময়ত অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰাৰ লগতে যুৱ উদ্যমীসকলক আগবঢ়াই আনিব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ঔদ্যোগীক বিকাশ আৰু অভ্যন্তৰীণ বাণিজ্য বিভাগে যোৱা ৩০ জুন পৰ্যন্ত এক লাখ ৪০ হাজাৰ ৮০৩টা ষ্টাৰ্টআপক স্বীকৃতি দিছে বুলি লোকসভাত দক্ষতা বিকাশ আৰু উদ্যামিতা দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে এটা লিখিত উত্তৰত প্ৰকাশ কৰে। তেওঁ কয় যে, ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়েও প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃষ্টি কাৰ্যসূচীৰ অধীনত কৃষি বৰ্হিভূত খণ্ডসমূহত উদ্যমিতাক উৎসাহিত কৰাৰ বাবে সাহায্য আগবঢ়াইছে। ইয়াৰ লগতে পৰম্পৰাগত কাৰু শিল্পী বা হস্তশিল্পী গ্ৰামীন আৰু নগৰীয়া কৰ্মসংস্থাপনহীন যুবক-যুৱতীসকলকো ইয়াৰ দ্বাৰা নিয়োগৰ সুবিধা দিয়াৰ চেষ্টা কৰা হৈছে বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে কয় যে, আৰম্ভণীৰে পৰা ৯ লাখ ৬৯ হাজাৰৰো অধিক ক্ষুদ্ৰ উদ্যোগক প্ৰান্তীয় ৰাজ সাহায্য কাৰ্যসূচীৰ অধীনত ২৫ হাজাৰ ৫০০ কোটিতকৈও অধিক ধন প্ৰদানেৰে সহায় কৰা হৈছে। তদুপৰি প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৭৯ লাখৰো অধিক লোকক কৰ্মসংস্থাপনৰ সুবিধা দিয়া হৈছে বুলি তেওঁ কয়। অহা দুটা বিত্তীয় বৰ্ষত মন্ত্ৰালয়ে এক লাখ ৬০ হাজাৰ নতুন উদ্যোগ প্ৰতিষ্ঠা কৰাৰ উপৰি ১২ লাখ ৮০ হাজাৰৰো অধিক লোকক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ লক্ষ্য লৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। একেদৰে গ্ৰামোন্নয়ন মন্ত্ৰালয়ে দীনদয়াল অন্তোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰামীণ জীবিকা অভিযান ৰূপায়ণ কৰি গ্ৰামাঞ্চলৰ বহু লোকক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

কেন্দ্ৰীয় চৰকাৰে ২০১৬ চনৰ পৰা ব্যৱসায়িক সুচলতাৰ লক্ষ্যৰ ৫৫ টাৰো অধিক নীতিৰ ক্ষেত্ৰত সংস্কাৰ সাধন কৰিছে। আনহাতে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটত এঞ্জেল কৰৰ বিলোপ সাধন কৰি চৰকাৰে দেশৰ ব্যৱসায়িক ক্ষেত্ৰত অধিক বিদেশী পুঁজি বিনিয়োগৰ পথ প্ৰশস্ত কৰিছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস। বাঘৰ প্ৰাকৃতিক বাসস্থান সুৰক্ষিত কৰাৰ বাবে এটা গোলকীয় প্ৰণালী গঢ়ি তোলা তথা বাঘ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতি বছৰে আজিৰ দিনটো আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত বাঘ সংৰক্ষণ সন্দৰ্ভত সজাগতামূলক বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। আজিৰ দিনটোতে বাঘ সংৰক্ষণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা কাজিৰঙাৰ চাৰিজন বনকৰ্মীয়ে ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে। ৫৪ খন ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ভিতৰত কাজিৰঙাৰ চাৰিগৰাকী বনকৰ্মীয়ে নতুন দিল্লীত এই বঁটা গ্ৰহণ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে বৰ্তমান উদ্যানখনত ১০৪টা বাঘ থকাৰ কথা উল্লেখ কৰিছে। লগতে তেওঁ কয় যে, চলিত বৰ্ষত তিনিটা ভাগত একেলগে বাঘ গণনা প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত এই সংখ্যা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। উদ্যান কৰ্তৃপক্ষই বাঘ গণনাৰ বাবে নিৰ্দিষ্ট কৰিড'ৰ বাচনি কৰি সংস্থাপন কৰা কেমেৰাত এই বৰ্ষত ৪ লাখ ফটো লাভ কৰিছে। গঁড়কেন্দ্ৰিক পৰ্যটনৰ বাবে বিশেষ নাম থকা কাজিৰঙাত বাঘৰ সংখ্যা বৃদ্ধিয়েও পৰ্যটন ক্ষেত্ৰখনৰ প্ৰতি পৰ্যটকৰ আকৰ্ষণ বৃদ্ধি কৰিছে। একে সময়তে বাঘৰ সংখ্যা বৃদ্ধি হোৱাৰ বাবে জনাঞ্চললৈ বাঘ ওলাই যোৱাৰ সম্ভাৱনা ব্যক্ত কৰি এনেক্ষেত্ৰত উদ্যানৰ পৰা ওলাই যোৱা বাঘৰে মানুহৰ সংঘাত দূৰ কৰিবৰ বাবে উদ্যান কৰ্তৃপক্ষই সজাগতামূলক অনুষ্ঠান পাতিব বুলিও সঞ্চালকগৰাকীয়ে জনায়।

ইপিনে বিশ্ব ঐতিহ্যক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানৰ ভূঞাপাৰা বনাঞ্চলত দিনজোৰা কাৰ্যসূচীৰে আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস পালন কৰা হয়। ব্যাঘ্ৰ দিৱস উপলক্ষে চিত্ৰ প্ৰদৰ্শনী, বাঘ সংৰক্ষণ সন্দৰ্ভত আলোচনা চক্ৰৰ উপৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ বাবে কাম কৰি যোৱা কেইবাগৰাকী বিশেষ ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। এই কাৰ্যসূচীত বিটিচিৰ বন বিভাগৰ বিষয়া সুমন মহাপাত্ৰ, প্ৰাক্তন ক্ষেত্ৰ সঞ্চালক হিৰণ্য শৰ্মাৰ লগতে কেইবাগৰাকী বন বিষয়া তথা বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

লোকসভাত আজিও ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ লৈ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে জাতি পিয়ল অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰাৰ লগতে কৃষকক উৎপাদিত সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য দিয়াৰ আইনী নিশ্চয়তা প্ৰদান কৰাৰ দাবী জনায়। তেওঁ কয় যে, এই সমৰ্থন মূল্যৰ ক্ষেত্ৰত আইনী নিশ্চয়তাই কৃষকসকলক নিশ্চিতভাৱে উপকৃত কৰিব। তেওঁ লগতে অগ্নিবীৰ আঁচনি সন্দৰ্ভতো প্ৰশ্ন তোলে। শ্ৰী গান্ধীয়ে ২০২৪-২৫ বৰ্ষৰ বাজেটে দেশৰ জনসংখ্যাৰ ৭৩ শতাংশ সামৰি লোৱা অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে কোনো উল্লেখযোগ্য প্ৰস্তাৱ দিয়া নাই বুলি অভিযোগ তোলে। তেওঁ লগতে পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ প্ৰসংগ উত্থাপন কৰি এনে ঘটনাই যুৱ প্ৰজন্মৰ ক্ষতি কৰে বুলি মন্তব্য কৰে। শ্ৰী গান্ধীৰ ভাষণ চলি থকাৰ সময়তে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে নেতাগৰাকীয়ে সদনৰ অধ্যক্ষৰ মৰ্যাদা হানি কৰা বুলি কেইবাটাও মন্তব্যৰ বিৰোধিতা কৰে। আনহাতে গান্ধীয়ে উত্থাপন কৰা অগ্নিবীৰ আঁচনিৰ প্ৰসংগত প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে কয় যে, এই আঁচনি সম্পৰ্কত বিৰোধী দলৰ নেতাগৰাকীয়ে কেতবোৰ ভ্ৰান্ত ধাৰণা সৃষ্টি কৰিছে আৰু

তেওঁ এই সম্পৰ্কত সদনত আলোচনাৰ বাবে সাজু আছে। ইয়াৰ আগেয়ে সদনত আলোচনাত অংশগ্ৰহণ কৰি সমাজবাদী পাৰ্টীৰ নিৰ্মল যাদবে শিক্ষাখণ্ডত বাজেটত আৱণ্টন ধাৰাবাহিকভাৱে হ্ৰাস পাইছে বুলি মন্তব্য কৰে। তেওঁ কয় যে, দেশত নিবনুৱাৰ হাৰ ক্ৰমাৎ বৃদ্ধি পাইছে। নেত্ৰীগৰাকীয়ে অগ্নিবীৰ আঁচনিক লৈ প্ৰশ্ন তোলাৰ লগতে জাতি পিয়লৰ প্ৰসংগ উত্থাপন কৰে। ইয়াৰ বিপৰীতে বিজেপিৰ সুৰেশ কুমাৰ কাশ্যপে কয় যে, এইবাৰৰ বাজেটে দেশক উন্নয়নৰ ক্ষেত্ৰত নতুন গতি দিয়াৰ উপৰি আত্মনিৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত সহায় কৰিব। দেশৰ ২৫ কোটি লোকক চৰকাৰৰ বিভিন্ন আঁচনিয়ে দৰিদ্ৰতাৰ পৰা মুক্ত কৰিছে বুলি তেওঁ মন্তব্য কৰে।

ooooo

আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ অধীনত জনসাধাৰণৰ বাবে আয়ুষ্মান ভাৰত হেল্‌থ একাউণ্ট সৃষ্টি কৰাৰ উদ্দেশ্যে আজি গোলাঘাট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত এটা অস্থায়ী শিবিৰ মুকলি কৰা হয়। স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত নন্দিতা বৰুৱাই শিবিৰটো মুকলি কৰে। শিবিৰ মুকলি কৰি অতিৰিক্ত আয়ুক্তগৰাকীয়ে আয়ুষ্মান ভাৰত হেলথ একাউণ্ট অৰ্থাৎ আভা নম্বৰৰ সুবিধা ল'বলৈ ৰাইজক আহ্বান জনায়। তেওঁ কয় যে, এই নম্বৰৰ জৰিয়তে যিকোনো ব্যক্তিৰ সকলো স্বাস্থ্য সম্পৰ্কীয় তথ্য আৰু নথি ডিজিটেল মাধ্যমেৰে সংলগ্ন হৈ থাকে। এই নম্বৰ থাকিলে চিকিৎসালয়লৈ যাওতে চিকিৎসা সম্পৰ্কীয়  নথিসমূহ কঢ়িয়াই নিয়াৰ সমস্যাৰ পৰা মুক্ত হৈ থাকিব পাৰি বুলি তেওঁ কয়। উল্লেখযোগ্য যে এই অস্থায়ী শিবিৰ আজিৰে পৰা ৩ আগষ্ট পৰ্যন্ত প্ৰতিদিনে পুৱা চাৰে ১০ বজাৰ পৰা বিয়লি তিনি বজালৈ মুকলি থাকিব।

ooooo

পেৰিছ অলিম্পিকৰ চতুৰ্থ দিনা আজি ভাৰতীয় শ্যুটাৰ ৰমিতা জিন্দাল ১০ মিটাৰ এয়াৰ ৰাইফল মহিলাৰ চূড়ান্ত ৰাউণ্ডত পদক জয়ত ব্যৰ্থ হৈছে। ৰমিতা জিন্দাল ফাইনেল ৰাউণ্ডত সপ্তম স্থানত থমিক ৰয়। একেদৰে ১০ মিটাৰ এয়াৰ ৰাইফল পুৰুষ শাখাৰ ফাইনেলত ভাৰতৰ শ্যুটাৰ অৰ্জুন বাবুটাই চতুৰ্থ স্থানতে থমকি ৰয়। আনহাতে, সৰবজোৎ সিঙৰ সৈতে মানু ভাকৰেৰ যুটীটোয়ে ১০ মিটাৰ এয়াৰ পিষ্টল মিক্সড দলৰ কোৱালিফিকেচন ৰাউণ্ডত খেলি পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হৈছে। ইফালে আজি বিয়লি অনুষ্ঠিত হোৱা পুৰুষৰ হকীত ভাৰতে আৰ্জেণ্টিনাৰ বিৰুদ্ধে ১-১ গ'লেৰে ড্ৰ খেলিছে। পুল বিৰ গ্ৰুপ পৰ্যায়ৰ দ্বিতীয়খন খেলত অৱতীৰ্ণ হোৱা ভাৰতীয় হকী দলটো গ্ৰুপ পৰ্যায়ৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে ৩-২ গ'লৰ ব্যৱধানত জয়লাভ কৰিছিল।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই পেৰিছ অলিম্পিকত দেশৰ হৈ প্ৰথমটো পদক লাভ কৰা ভাৰতীয় শ্যুটাৰ মনু ভাকেৰক আজি সদনৰ হৈ অভিনন্দন জনায়। আজি সদনৰ কাম-কাজৰ আৰম্ভণিতে লোকসভা অধ্যক্ষগৰাকীয়ে শ্যুটাৰগৰাকীক অভিনন্দন জনাই কয় যে, মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল ইভেণ্টত ব্ৰঞ্জৰ পদক লাভ কৰি মনু ভাকেৰে ইতিহাস ৰচনা কৰিছে। এই ইভেণ্টত পদক লাভ কৰা ভাকেৰ প্ৰথমগৰাকী ভাৰতী মহিলা হিচাপে পৰিগণিত হৈছে। তেওঁৰ সফলতাই সমগ্ৰ দেশতে  উৎসাহৰ পৰিৱেশৰ সৃষ্টি কৰিছে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে পেৰছি অলিম্পিকত অংশগ্ৰহণ কৰা আন ভাৰতীয় খেলুৱৈসকলো শুভেচ্ছা জনায়।

ooooo

সমাপ্ত